
জাতিৰ আৱেগ সমাজৰ বিৱেক

# দৈনিক জনমভূমি

portal : www.dainikjanambhumi.com e-paper : www.dainikjanambhumi.co.in Dainik Janambhumi

...তিতম বছৰ, সংখ্যা ৩৫৩ ● মঙলবাৰ ● ১৬ ভাদ ১৯৪৭ শক RNI No. ASSASS/2006/16737 DAINIK JANAMBHUMI Tinsukia Tuesday September 2, 2025 ● ১৪ পৃষ্ঠা ● তিনিচুকীয়া, যোৰহাট, গুৱাহাটী আৰু বঙাইগাঁ...

...ৰেৰে
...পাব




...২৫

...-৪০০
...ন্য মাত্ৰ
.../- টকা

...াযোগ কৰক নিকটৱৰ্তী এজেণ্টৰ সৈতে

...৯, যোৰহাট-৯৮৫৪৩-৯১৩৫৯, তিনিচুকীয়া-৭০০২৫-৭৭০৯৬,
...৮৫৪০-৩৬১৭৮, বঙাইগাঁও-৮৬৩৮৯-৮৬৩০৪

# কানৈ মহাবিদ্যালয়ত তিনিটা প্ৰকল্প উদ্বোধন কেন্দ্ৰীয় মন্ত্ৰী সোণোৱালৰ

## হাটে-বাটে



*বয়-বস্তুৰ দাম বৃদ্ধি হ'ল বুলি ঘৰতে বহি থাকিবনে? বজাৰৰ পৰা কিবা অলপ লৈ আনক।*



ডিব্ৰুগড় ঃ ষ্টাফ ৰিপৰ্টাৰ, ১ ছেপ্টেম্বৰ ঃ 'লক্ষ্যবিহীন যাত্ৰাই কেতিয়াও সফলতা লাভ কৰিব নোৱাৰে'। ঐতিহ্যমণ্ডিত ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয় (স্বায়ত্তশাসিত)-ত আজি কেন্দ্ৰীয় চৰকাৰৰ বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ দপ্তৰৰ কেন্দ্ৰীয়

৮ পিঠিলৈ



তাৎক্ষণিক গ'ল্ড লোন

উপভোক্তাক ৰেয... জয় কৰক আক...

7-তৰপীয়া সুৰক্ষা

আকৰ্ষণীয় সুদৰ হাৰ

INDIA'S #1 MOST TRUSTED FINANCIAL SERVICES BRAND 2025[#]

1800 313 1...

muthootfinance.co...

[#]TRA's Brand Trust Report.

Muthoot Family · 800 years of Busin...

